Council ) য়ে ভাৰতবৰ্ষৰ সকলো অঞ্চলৰ সমবিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। কিন্তু বৰ্ত্তমান ভাৰতবৰ্ষৰ প্ৰদেশবোৰৰ মুখ্যমন্ত্ৰীবোৰে বিদেশী পুঁজি বিনিয়োগৰ ক্ষেত্ৰত সা-সুবিধা প্ৰদান কৰি যি তীব্ৰ প্ৰতিযোগিতা চলাইছে, সেইটো শংকাজনক। এই প্ৰৱণতাই আঞ্চলিক বৈষম্যৰ সৃষ্টি কৰিব। লগতে ভবিষ্যতৰ সংহতিৰ বাবে ভাবুকি হিচাপে দেখা দিব পাৰে। এনেক্ষেত্ৰত N D.C. য়ে উপযুক্ত guidelines উদ্ভাৱন আৰু সকলো অঞ্চলৰ সমবিকাশৰ ক্ষেত্ৰত মনোযোগ দিয়া উচিত। মুঠৰ ওপৰত নতুন অৰ্থনীতিৰ আধাৰত গ্ৰহণ কৰা সকলো কাৰ্য্যসূচীৰ মৌলিক লক্ষ্য হ'ব লাগিব সকলো ক্ষেত্ৰত ভাৰতবৰ্ষক স্বনিৰ্ভৰ কৰি গঢ়ি তোলা। এইটো নিৰ্ঘাট সত্য যে জাতীয় অৰ্থনৈতিক পুনৰগঠন ( National economic reconstruction ) ৰ কাৰণে দৰকাৰ নতুন দৃষ্টি-ভংগী। বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত এনে অৰ্থনীতি globalisation ৰ পৰা বিচ্ছিন্ন কৰা অসম্ভৱ। কিন্তু আমাৰ অৰ্থনীতিক পুনৰ গঠন mercantilist economy ৰ ওপৰত গঢ়ি তোলা বাঞ্চনীয় নহয়। আজি আমাৰ চৰকাৰ আৰু অৰ্থনীতিবিদ সকলে এনে এটা আৰ্থিক ব্যৱস্থা গঢ়ি দিব লাগে যাৰ দ্বাৰা সাধাৰণ ভাৰতীয় এজনো উপকৃত হ'ব পাৰে।

# আমাৰ কৰ্ত্তব্য

গেছ ক্ৰেকাৰ I.I.T. আদি অনুষ্ঠান অসমত গঢ়ি উঠিল। অসমবাসীৰ বাবে ই এক বিৰাট সৌভাগ্যৰ কথা। সৰ্বভাৰতীয় শিক্ষাৰ অনুষ্ঠান এটা গঢ়ি উঠাৰ সময়তে অসমৰ কেঁচা সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰৰ বাবে অন্য এটা বৃহৎ প্ৰকল্প স্থাপন হোৱালৈ চাই অসমবাসীৰ বাবে সৌভাগ্য বুলিবই লাগিব। আশা-কৰা হৈছে যে বহু হেজাৰ লোক গেছ ক্ৰেকাৰ প্ৰকল্পত প্ৰত্যক্ষ কিম্বা পৰোক্ষ ভাবে নিয়োজিত হ'ব ( প্ৰায় এক লাখ )। কিন্তু প্ৰশ্ন হয় এই হেজাৰ জন নিয়োজিত হ'ব লগা লোকৰ কিমানজন অসমীয়া হ'ব ? অৱশ্যে গেছ ক্ৰেকাৰ প্ৰকল্পৰ পৰা অসমে অবাবত ব্যয় হোৱা গেছৰ নামত প্ৰতিঘন মিটাৰ গেছৰ বাবদ ৬০০ টকাকৈ পাব। ই্য়ে অসমৰ পুঁজি বহু পৰিমাণে সুদৃঢ় কৰিব। অৱশ্যে অন্য ৰাজ্যৰ তুলনাত ই নগন্য, প্ৰায় ২০০০ টকাই কম। এই বৃহৎ প্ৰকল্পটো

পৰিচালনা কৰিবৰ বাবে বহু সুদক্ষ কৰ্মীৰ প্ৰয়োজন নিশ্চয় হ'ব। সঁচা অৰ্থত উচ্চ শিক্ষিত ব্যক্তিসকলেই ইয়াৰ চাবি-কাঠি হৈ পৰিছে। কিন্তু অসমত উচ্চ কাৰিকৰী দক্ষতা থকা ব্যক্তি কিমান জন আছে? প্ৰশ্নটো অলপ বহলাই নি ভাৰতবৰ্ষত এনে উচ্চ শিক্ষিত ব্যক্তি কিমান আছে বুলি সোধাই যুক্তিসংগত হ'ব। কথাষাৰ এইবাবেই উল্লেখ কৰিব লগা হ'ল যে কয়লাৰ খনিত লগা জুই নুমুৱাবৰ বাবেও 'এক্সপাৰ্ট' বিদেশৰ পৰা মগাব লগা দৃষ্টান্ত আমাৰ দেশত বহুত আছে। সেই একেদৰে গেছক্ৰেকাৰ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় উচ্চ জ্ঞান সম্পন্ন ব্যক্তিবোৰ বিদেশী হ'লে তাত আচৰিত হবলগা আমাৰ একো নেথাকিব। চৰম নিবনুৱা সমস্যাৰ সময়ত যদিহে এইদৰে বাধ্যহৈ বিদেশী ব্যক্তিক মাতি আনিব লগা হয়, ই এক বিৰাট পৰিতাপৰ বিষয় হৈ পৰিব। এতিয়া আমি অন্য ভাৰতীয়সকলৰ কথা বাদ দি যদি অসমীয়াসকলৰ কথা চিন্তা কৰোঁ তেনে অদূৰ ভৱিষ্যতে গেছ ক্ৰেকাৰত নিয়োজিত হ'ব লগা অসমীয়া যুৱক আমি হয়তো আঙুলিৰ মূৰত লিখিব লগা হিচাপেহে পাম। সেই একেটা কথাই আই, আই, টি, অনুষ্ঠানৰ নিযুক্তিৰ ক্ষেত্ৰটো খাটে। এনেকি I. I. T. ত নাম ভৰ্তি কৰা অসমীয়া ছাত্ৰ পাবলৈও বহু কষ্ট কৰিব লাগিব। গেছ ক্ৰেকাৰ, I. I. T. অনুষ্ঠান আদিত অসমীয়া সমাজে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰি দাবী কৰাৰ বাহিৰে অন্য দাবী কৰাৰ থল নেথাকিব। ওপৰৰ বক্তব্যৰ পৰা ইয়াকে প্ৰতীয়মান কৰিব বিচৰা হোৱা নাই যে অসম নাইবা ভাৰতবৰ্ষত মেধা শক্তিৰ লোক কম আছে। আছে, ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতাই ইয়াৰ নিদৰ্শন। কিন্তু বৰ্তমান সেই মেধা শক্তি উপযুক্ত স্থানত ব্যৱহাৰ হোৱা নাই হয়তো বা বিকাশ হোৱাত বাধা পাইছে। ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখন এই ক্ষেত্ৰত আৰু বেছি পিছপৰা। অসমীয়া যুৱচামে সৰ্বভাৰতীয় প্ৰায়বোৰ পৰীক্ষাতে নিৰাশ-জনক ফল দেখুৱায়। যি দুই এজনে ভাল ফল দেখুৱাইছে সমগ্ৰ অসমৰ জনসংখ্যাৰ তুলনাত এপাচি শাকত এটা জালুকৰ দৰে। এনে নিৰাশ জনক ফলৰ কাৰণ কি? প্ৰধান কাৰণ হিচাপে ক'বই লাগিব এই ধৰণৰ পৰীক্ষাৰ বাবে যেনে ধৰণৰ প্ৰস্তুতি সৰুৰে পৰা প্ৰয়োজন, সেই ধৰণৰ প্ৰস্তুতি আমাৰ যুৱচামৰ নাই। এই ক্ষেত্ৰত আমাৰ অভিভাৱকসকলৰ ওপৰত গৰিষ্ঠ সংখ্যক দোষ জাপি দিব পাৰি। তেখেতসকলে সৰুৰে পৰা আমাৰ মনত এনে এটা ভাব সোমাই দিবলৈ যত্ন কৰে যে ডাক্তৰ ইঞ্জিনিয়াৰ হোৱাটোৱে শিক্ষাৰ

শ্রেষ্ঠতম বিন্দু। তাৰ ফলশ্ৰুতি হিচাপে প্ৰশাসনিক দিশৰ বাই পদৰীবোৰৰ পৰা অসমীয়া যুৱচাম বঞ্চিত। ছাত্ৰ অৱস্থাত পাঠ্যপুথিৰ অধ্যয়নৰ উপৰিও অন্য পুথি পাঞ্জিৰ অধ্যয়নক গৰিষ্ঠ সংখ্যক অভিভাৱকে প্ৰকৃত শিক্ষাৰ অংগ হিচাপে গ্ৰহণ কৰিবলৈ টান পায়। 'কমনৰ' ওপৰত নিৰ্ভৰ কৰি পৰীক্ষাত ভাল নম্বৰ সংগ্ৰহ কৰাটোৱে আমাৰ লগতে অভিভাৱকসকলৰো মুখ্য উদ্দেশ্য। অৱশ্যে ইয়াৰ বাবে অসমৰ সমস্ত পৰীক্ষা মাধ্যমটোকে জগৰীয়া কৰিব পাৰি।

এতিয়া প্ৰধান কথা হ'ল উচ্চ শিক্ষাৰ অনুষ্ঠান এটা অসমত স্থাপন হ'ল আৰু তাতে আমিসৱৰ কাম শেষ, এই ধৰণৰ মত লৈ নচলিব। আমি চাব লাগিব অনুষ্ঠানখনৰ পৰা আমি যুৱচামো কিদৰে উপকৃত হৈছো, নতুবা কি কৰিলে উপকৃত হ'ব পাৰিম সেই চিন্তাহে। যিদিনা এনে এটি দিন উপস্থিত হ'ব যে অসমৰ উত্তৰ গুৱাহাটীৰ আই, আই, টি, ৰ সমূহ ছাত্ৰই অসমৰ তেতিয়াই সকলোৱে বুজিব পাৰিব যে I.I.T. ৰ সৎ ব্যৱহাৰ অসমবাসীয়ে কৰিছে। আমি সেই দিনটোলৈ অপেক্ষাৰত।

# মহাবিদ্যালয় সম্পৰ্কত ঃ

ৰাজনীতিৰ বিষাক্ত বতাহে আজি আমাৰ সৰু-ডাঙৰ প্ৰায়ভাগ শিক্ষানুষ্ঠানকে গ্ৰাস কৰিছে। তাৰ মাজত যি দুই এখন শিক্ষানুষ্ঠানে নিজৰ আদৰ্শ বজাই ৰাখিছে সেইবোৰ সঁচাকৈ আদৰ্শনীয়। আমাৰ এক পিচপৰা অঞ্চল বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নাম এই দুই এখন শিক্ষানুষ্ঠানৰ ভিতৰতে ধৰিব পাৰি। বিভিন্নজনৰ মহৎ চেষ্টা তথা ত্যাগৰ বিনিময়ত গঢ়লৈ উঠা এইখন মহাবিদ্যালয়ে এই পৰ্যন্ত নিজৰ আদৰ্শত অধিষ্ঠিত আছে। শিক্ষানুষ্ঠানখনৰ এই আদৰ্শ জীয়াই ৰখাটো পিচৰ চামৰ গুৰু দায়িত্ব।

অনুষ্ঠান এটা যিমানেই বৃহৎ নহওঁক কিয় অভাৱ থাকিবই। জৱাহৰলাল নেহৰু মহাবিদ্যালয়েও জন্মৰে পৰা বিভিন্ন অভাৱৰ সন্মুখীন হৈ আহিছে। প্ৰেক্ষাগৃহ পৰ্যাপ্ত শ্ৰেণীকোঠা আদিৰ দৰে এশ একুৰি সমস্যা মহাবিদ্যালয়খনত আছে। কিন্তু সীমিত পুঁজিৰ দ্বাৰা এই সকলোবোৰ নিবাময় কৰাটো কৰ্তৃপক্ষৰ বাবে অসম্ভৱ। সুখৰ বিষয় এয়ে যে অন্য বহু মহাবিদ্যালয়ৰ দৰে কৰ্তৃপক্ষৰ লগত আকোৰ গোজহে

অনুষ্ঠানৰ অচলাৱস্থা আনি দিয়া নজীৰ এইখন মহাবিদ্যালয়ৰ ইতিহাসত বিচাৰি পাবলৈ নাই। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত ছাত্ৰ সমাজে সমিলমিলৰ মাজেৰে কাম কৰি গলে পিছলৈ বহু অভাৱেই আঁতৰ হ'ব বুলি আমাৰ বিশ্বাস।

ৰাজহুৱা অনুষ্ঠান এটা, জীয়াই ৰখাটো শিক্ষাৰ্থী সমাজ, কৰ্তৃপক্ষৰ যি দৰে দায়িত্ব আছে তাতোকৈ অধিক দায়িত্ব পালন কৰিব লাগে স্থানীয় ৰাইজে। ৰাইজে নখ জোকাৰিলে নৈ বয়। তেনেস্থলত বকোৰ ৰাইজে আশাসুধীয়া চেষ্টা চলালে মহাবিদ্যালয়খনত উন্নতি নোহোৱাৰ কোনো কাৰণেই থাকিব নোৱাৰে। এক পূৰ্ণাঙ্গ বিজ্ঞান শাখা পাবলৈ আৰু বহু বছৰ হয়তো পিচ পৰি ৰব জৱাহৰলালনেহৰু মহাবিদ্যালয়ে যদিহে স্থানীয় ৰাইজে এই ক্ষেত্ৰত সহায়ৰ হাত আগনবঢ়াই।

শিক্ষাৰ লগত বৰ্তমান সমান্তৰালভাৱে গতি কৰিছে খেল-ধেমালীয়ে। অসমৰ খেলজগতত এই অঞ্চলৰ পূৰ্বৰে পৰা এক স্বকীয় স্থান আছে। বৰ্তমানেও সেই স্থান খালি হোৱা নাই; যদিওবা আগৰ গতি কিছু মন্থৰ হৈ পৰিছে। ইয়াৰ দ্বাৰা এইটো বুজাৰ বিচৰা হোৱা নাই যে এই অঞ্চলৰ প্ৰতিভা বিলুপ্ত প্ৰায়। প্ৰতিভা এতিয়াও আছে, হয়তোবা সেই প্ৰতিভা শিক্ষানুষ্ঠানৰ চাৰি বেৰৰ মাজত আৱদ্ধ কিম্বা এক ক্ষুদ্ৰ অঞ্চলত সীমাবদ্ধ। আমি বিচাৰো যাতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে শিক্ষানুষ্ঠানখনতে আৱদ্ধ থকা খেলুৱৈসকলৰ প্ৰতিভা বিকাশত সুবিধা প্ৰদান কৰি অঞ্চল তথা শিক্ষানুষ্ঠানখনৰে সুনাম অৰ্জ্জনত আগভাগ লয়।

মুঠৰ ওপৰত মহাবিদ্যালয় এখনৰ উন্নতি কল্পে ৰাইজ মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক তথা ছাত্ৰ সমাজৰ নেৰানেপেৰা চেষ্টাৰ প্ৰয়োজন সদায় আছে।

সম্পাদকীয়ৰ শেষত সমস্ত বছৰ ধৰি প্ৰয়োজনতকৈ অধিক সহায়ৰ হাত আগবঢ়োৱা জৱাহৰ জ্যোতিৰ তত্বাৱধায়ক শ্ৰদ্ধাভাজন দাস চাৰ (দ্বিজেন্দ্ৰ নাথ দাস)ৰ ওচৰত কৃতজ্ঞতা নজনালে দোষে চুৱ। ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্ত চাৰৰ প্ৰত্যেক কামতে আগবঢ়োৱা সহায়ৰ কথা পাহৰিব নোৱাৰিম। বৈটুপাতৰ শিল্পী অধ্যাপক মিৰাজ খানদেৱৰ প্ৰচেষ্টাৰ ফলত আটক ধুনীয়া অংগসজ্জাৰে গঢ়লৈ উঠিল মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা। তেওঁকো পাহৰো কেনেকৈ? আলোচনীৰ পাণ্ডুলিপি লিখি দিয়াত সঞ্জীৱ, বিশ্বেশ্বৰ, জীৱেশ্বৰ, শংকৰ, ভাৱত, অভিজিত, গীতা আৰু ইলাইতৰ অক্লান্ত পৰিশ্ৰমৰ কথা নকলোৱেই বেলিৰা। একতা সভাৰ সাধাৰণ সম্পাদক বঙ্কিম বৰো আৰু একতা সভাৰ সমূহ সদস্যৰ নিস্বাৰ্থ সহায় সহযোগ সদায় মনত ৰাখিম। কামৰূপ মুদ্ৰণৰ সত্বাধিকাৰ সহিতে সমূহ কৰ্মীবৃন্দৰ নেৰানেপেৰা চেষ্টাৰ ফলত অতি কম সময়ৰ ভিতৰতে জৱাহৰ জ্যোতিয়ে জেউতী দেখিবলৈ পোৱাত তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। উপযুক্ত দিহা পৰামৰ্শ দিয়াৰ বাবে আলোচনীৰ সহ সম্পাদক জয়ন্ত কলিতালৈ অকৃত্ৰিম মৰম থাকিল। শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ অমূল্য দিহা ভৰষাৰ শলাগ লবলৈ মোৰ ভাষা নাই।

# OUR BELOVED EX-PRINCIPAL

# J.C. Nath




*Sri Jatindra Chandra Nath, the founder principal of our college, retired from his service on the 1st May, 1995 aftter serving this institution for long thirty years. Under his stewardship the college has been able to secure a place of pride and fame among the affiliated colleges under the University of Gauhati.*

*We wish him a happy and prosperous life.*

---


# OUR BELOVED EX-HEAD OF THE DEPARTMENT OF ECONOMICS



*Sri Sarat Chandra Talukdar, M. A., founder Lecturer & Head of the Department of Economics of this college retired from his service on 30th April '95, after rendering long thirty years of dedicated service. He took active part in establishment of this college as a member of the sponsoring Body.*

*We wish him a happy and prosperous life.*

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ একতা সভাৰ কাৰ্যকৰী সমিতি— ১৯৯৪-৯৫ ইং চন




থিয়হৈ ঃ (বাওঁফালৰ পৰা) ঃ সৰ্বশ্ৰী— ৰীমা অধিকাৰী (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), বশিষ্ঠ দেব শৰ্মা (সম্পাদক, তৰ্ক আলোচনাচক্ৰ), ধীৰাজ কুমাৰ দাস (সম্পাদক, সাংস্কৃতিক বিভাগ), আজিজুৰ ৰহমান (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), মৃণাল পাটোৱাৰী (সম্পাদক, ক্ৰীড়া বিভাগ), সুশীল পাটোৱাৰী (সম্পাদক, জৱাহৰ জ্যোতি), সুমিত ৰাভা (সম্পাদক, সমাজ সেৱা), জয়ন্ত কুমাৰ কলিতা (সহকাৰী সম্পাদক, জৱাহৰজ্যোতি)।
বহি (বাওঁফালৰ পৰা) ঃ অধ্যাপিকা জয়শ্ৰী ভূএগ্ৰ (তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা), অধ্যাপক অৰুণ চন্দ্ৰ পাটোৱাৰী (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰ (তত্বাৱধায়ক সাংস্কৃতিক বিভাগ), অধ্যাপক উমেশ চন্দ্ৰ কৰ (তত্বাৱধায়ক, ক্ৰীড়া বিভাগ), ভাৰপ্ৰাপ্ত অধ্যক্ষ অধ্যাপক বসন্ত কুমাৰ দত্ত (সভাপতি). অধ্যাপক দ্বিজেন দাস (তত্বাৱধায়ক "জৱাহৰজ্যোতি"), অধ্যাপক দিলীপ কুমাৰ দাস (তত্বাৱধায়ক তৰ্ক আৰু আলোচনাচক্ৰ), অধ্যাপক মিৰাজ খান (তত্বাৱধায়ক খেল বিভাগ),
অনুপস্থিত— ৰজিত বড়ো (সাধাৰণ সম্পাদক), বিবিঞ্চি পাঠক (সম্পাদক, খেল বিভাগ)।


# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল




**ৰজিত বড়ো**
*সাধাৰণ সম্পাদক*




**সুশীল পাটোৱাৰী**
*আলোচনী সম্পাদক*



**ধীৰাজ কুমাৰ দাস**
*সাংস্কৃতিক বিভাগ*




**বশিষ্ঠ দেৱ শৰ্মা**
*তৰ্ক আৰু আলোচনাচক্ৰ*



**বিৰিঞ্চ পাঠক**
*খেল বিভাগ*



**সুমিত চন্দ্ৰ ৰাভা**
*সমাজ সেৱা*



**মঃ আজিজুৰ ৰহমান**
*ছাত্ৰ জিৰণি কোঠা*



**ৰীমা অধিকাৰী**
*ছাত্ৰী জিৰণি কোঠা*




**মৃণাল পাটোৱাৰী**
*ক্ৰীড়া সম্পাদক*


# ঃ আমাৰ প্ৰতিভা ঃ



হীৰামণি দেৱী
*বছৰৰ শ্ৰেষ্ঠা গায়িকা*



শংকৰ পাঠক
*১৯৯৫ চনত গুৱালকুছিত অনুষ্ঠিত*
*সদৌ অসম 'আৰ্ম ৰেষ্টলিং' প্ৰতিযোগিতাৰ*
*দ্বিতীয় স্থান অধিকাৰী*



ফাইজুৰ ৰহমান
*বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ*



লক্ষীমা বড়ো
*বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ*

# হিৰোচিমা-নাগাচাকিৰ স্মৃতিত

অধ্যাপক মিৰাজ খান
( ৰসায়ন বিভাগ )

দ্বিতীয় মহাযুদ্ধ–'ফেচিবাদ' আৰু 'সমৰবাদৰ' পৰিণতি ; শক্তিৰ প্ৰদৰ্শন ; ফলাফল—মৃত্যু বিধ্বস্ত —এই সকলোবোৰৰ মাজত ৫০ বছৰ আগতে বিশ্বৰ সকলোতকৈ কলংকিত সিদ্ধান্তই উৰ্দ্ধগামী মানৱ সভ্যতাক বক্ৰাক্ত কৰি তুলিলে।

জাপানৰ কোৱান্‌টুং সৈন্যবাহিনীয়ে নিজৰ শক্তিত অন্ধ হৈ আমেৰিকাৰ ৭ ডিচেম্বৰৰ (১৯৪১) নিচেই পুৱাতে পাৰ্ল হাৰ্‌বাৰ্ ( Pearl Hourbour ) ধ্বংশ কৰি পশ্চিম প্ৰশান্ত মহাসাগৰত থকা সকলোবোৰ নৌ আৰু বিমান ঘাটিৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটে'নক বঞ্চিত কৰিছিল। মুঠতে পাঁচ মাহৰ যুদ্ধৰ পিছত জাপানী সৈন্যবাহিনীয়ে পশ্চিমখণ্ডৰ ৪২৪২,০০০ বৰ্গকিলোমিটাৰ যোৱা এক বৃহৎ ভূ-খণ্ড অধিকাৰ কৰে। জাপানৰ সম্প্ৰসাৰণমুখী অভিসন্ধিৰ বিৰুদ্ধে থিয় দিবলৈ মিত্ৰ ৰাষ্ট্ৰই যো-জা চলাই যাবলৈ ধৰে। ১৯৪৫ চনৰ ২৬ জুলাই তাৰিখে মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটে'ন আৰু চীনে জাপানৰ বিনাচৰ্ত্ত আত্মসমৰ্পণৰ দাবী জনাই পটছডামত যুক্ত ঘোষণা প্ৰচাৰ কৰিলে। কিন্তু বিৰাট ফৌজ থকা জাপানী চৰকাৰে ১৯৫৫ চনৰ ৬ মে তাৰিখে জাৰ্মানীয়ে আত্ম সমৰ্পন কৰাৰ পিছতো আক্ৰমণৰ নীতি পৰিত্যাগ কৰাৰ ইচ্ছা নকৰিলে। ফলত সেই ৬ আৰু ৯ আগষ্টৰ পৃথিবীৰ বুৰঞ্জীত মচিব নোৱাৰা লজ্জাজনক ঘটনাৰ অৱতাৰণা হ'ল।

১৯৪৫ চনৰ ৬ আগষ্ট প্ৰাচ্যৰ সময় পুৱা ৮ বাজি ১৫ মিনিট ১৭ ছেকেণ্ডত জাপানৰ প্ৰাণ-চঞ্চল চহৰ হিৰোচিমাৰ ওপৰত বৰ্ষণ কৰা হ'ল ভয়াবহ প্ৰথম এটম বোমা "লিটিল বয়"—পল টিবেট্‌চ আছিল সেই অভিশপ্ত বোমা বহনকাৰী বিমান এনোলা গে, বি ২৯ ৰ বৈমানিক। নিক্ষেপনৰ পিচত হিৰোছিমাৰ বুকুত ধুমকেতু সদৃশ অগ্নিপিণ্ড, প্ৰচণ্ড উত্তাপ, ধোৱাৰ বলয়–এই বিভৎস আৰু হৃদয় বিদাৰক ঘটনা প্ৰত্যক্ষ কৰি তেওঁ আৰ্তনাদ কৰিছিল "সেয়া চোৱা। সেয়া চোৱা! হে ঈশ্বৰ! এয়া আমি কি কৰিলো!" যি বোমা নিক্ষেপৰ ফলত এক লাখৰো অধিক লোকৰ মৃত্যু আৰু সমপৰিমাণৰ লোক পংগু হৈছিল ; সেই একে বোমা নিক্ষেপৰ আধাঘণ্টাৰ পিচত জাপানৰ ৰেডিঅ'ত প্ৰচাৰ কৰিছিল এনেদৰে—"এটি নতুন ধৰণৰ বোমা জাপানৰ হিৰোছিমাৰ ওপৰত পেলোৱা হৈছে। যাৰ ফলত অতি সাধাৰণ ক্ষয়-ক্ষতি হৈছে। "Waga ho songai keibinari" ( our losses were light )."

জাপানৰ যুদ্ধমন্ত্ৰী কোৰেছিকা আনমিয়ে ভাবিছিল যে এনেধৰণৰ মাত্ৰ এটা বোমা মিত্ৰ

ৰাষ্ট্ৰৰ হাতত আছে, যিটো ইতিমধ্যে হিৰোছিমাৰ ওপৰত ব্যৱহাৰ হৈছেগৈ, কিন্তু উক্ত ভুল ধাৰণাই জাপানক একো শিক্ষা উপলব্ধি নকৰাত সেই সময়ৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হেনৰি এছট্ৰুমেন জেনেৰেল লেচলি আৰু গ্ৰোভচ (মেন হাটন প্ৰকল্পৰ ভাৰপ্ৰাপ্ত জেনেৰেল)ৰ ক্ৰমাগত চাপৰ ফলত আন এটি এটম বোমা জাপানৰ ওপৰত নিক্ষেপ কৰিবলৈ অনুমতি দিবলৈ বাধ্য হ'ল (হেনৰি ট্ৰুমেনৰ ডায়েৰি মতে)। নিক্ষেপনৰ লক্ষ্যস্থান আছিল ককুৰা নগৰী (অস্ত্ৰ ভাণ্ডাৰ মজুত ৰখা নগৰী) নতুবা পাৰ্ল হাৰ্বাৰ ধ্বংস কৰাৰ টৰপেজো নিৰ্মাণকাৰী বিখ্যাত মিটচুবিচি কোম্পানী অৱস্থিত নগৰী নাগাছাকি। মেজৰ চাৰ্ল চুইনিৰ নেতৃত্বত US বোম্বাৰ B-29 য়ে দ্বিতীয় এটম বোমা 'ফেটমেন' ক লৈ যাত্ৰা কৰাৰ সিদ্ধান্ত ললে।

৩,৪০০ মাইলৰ দূৰত্বত অৱস্থিত টিনিয়ান দ্বীপৰ পৰা ৯ আগষ্ট তাৰিখে গভীৰ নিশা ২ বাজি ৫৬ মিনিট ১৩ জন সহযোগীৰ লগত যাত্ৰা আৰম্ভ কৰিলে। আন এখন বি-২৯ ত পৰৱৰ্ত্তী প্ৰভাৱৰ অধ্যয়ন আৰু চিত্ৰগ্ৰহণৰ বাবে কেইজনমান বৈজ্ঞানিক আৰু সাংবাদিক প্ৰত্যক্ষ কৰিব গৈছিল। প্ৰথম লক্ষ্যস্থান ককুৰা নগৰীৰ সৌভাগ্য; বোমা কঢ়িওৱা বিমান তিনিবাৰকৈ আকাশত ঘুৰোৱাৰ পিচতো নিৰ্দিষ্ট স্থান কেন্দ্ৰীভূত কৰিব নোৱাৰিলে, আনহাতে বিমানৰ ইন্ধন শেষ হৈ যোৱাৰ ভয়ত উপায়হীন হৈ বিমানখন দ্বিতীয় লক্ষ্যস্থান নাগাছাকিৰ আকাশ পালেগৈ। সময় নষ্ট নকৰি অভিশপ্ত বোমাক সম্পূৰ্ণ সক্ৰিয় কৰি নাগাছাকিৰ বুকুত পেলাই মানৱ সভ্যতাৰ আন এটি কলংকিত অধ্যায় সংযোজিত কৰা হ'ল। বিস্ফোৰণৰ মুহূৰ্তত নিমিষৰ বাবে নাগাছাকিৰ আকাশত দেখা দিছিল কল্পনাতীত উজ্জ্বল পোহৰৰ চকমকনি যাৰ দীপ্তিমান আছিল এহাজাৰ স্বাভাৱিক সূৰ্য্যৰ পোহৰতকৈ বেছি। সেই সময়ত বিমানৰ আৰোহীবোৰে পৰিধান কৰা বিশেষ চশমাৰ ভিতৰতো চকু মুদি দিবলৈ বাধ্য হৈছিল। বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দৌলতত নৱ আবিস্কৃত এটম বোমাৰ প্ৰকৃত ৰূপ আৰু শক্তি। লাহে লাহে পোহৰৰ বগা চিকমিকনিৰ বৰণ হালধীয়া হবলৈ ধৰিলে আৰু প্ৰচণ্ড এটি ধোঁৱাৰ বলয় আৰু কমলা ৰঙৰ জুই শিখা চাৰে চাৰি মাইল জুৰি থকা হিৰোছিমা চহৰক আৱৰি ধৰে; প্ৰচণ্ড উত্তাপে ৩০০০ ফুটৰ ভিতৰৰ সমগ্ৰ অক্সিজেন শুহি পেলাইছিল। বোমা বিস্ফোৰণৰ ঠিক পিছ-মুহূৰ্তত জাপানী বিমান বাহিনীৰ এটি বিশেষ বিমানত এটি চাৰিজনীয়া দল লেফটেনেণ্ট নবুকাজু চিনকাৱৰ নেতৃত্বত পৰিদৰ্শন কৰিবলৈ যায়। সেই বিমানখন ১০,০০০ ফুট ওপৰত উৰা-মৰা সত্বেও কলা ধোঁৱা আৰু প্ৰচণ্ড উত্তাপৰ প্ৰভাৱৰ পৰা ৰেহাই পোৱা নাছিল। লক্ষাধিক জাপানীৰ প্ৰাণ-বায়ু নিমিষতে উৰি গৈছিল নাইবা নগনা মাত্ৰ যি কেইজন ধ্বংস যজ্ঞৰ মাজত প্ৰাণ ৰাখিবলৈ সমৰ্থ হৈছিল, তেওঁলোক চিৰদিনৰ কাৰণে পঙ্গু হ'ল। এনেকুৱা অভিশপ্ত সূৰ্য্যোদয় মানৱৰ দীঘলীয়া ইতিহাসত কোনোদিন উদয় হোৱা নাছিল। সভ্য মানুহৰ হাতত এনেকুৱা নৰমেধ যজ্ঞ, মনুষ্যত্বৰ লুণ্ঠন আৰু অৱমাননা মানুহে কোনোদিনে প্ৰত্যক্ষ কৰা নাই। খবৰ পোৱাৰ লগে লগে এটম বোমাৰ আবিস্কাৰক বুলি জনাজাত বিজ্ঞানী অ'টহান

শোকত আৰ্তনাদ কৰি উন্মাদৰ দৰে চিঞৰি উঠিছিল—"মোৰ হাত দুখন আজি ৰক্তাক্ত, ৰক্তাক্ত !" বেছিভাগ বৈজ্ঞানিক শান্ত ছাত্ৰৰ দৰে নিজা নিজা পৰীক্ষাগাৰলৈ ধাপলি মেলিবলৈ বাধ্য হয়।

ৰাজনৈতিক মহলাত বিস্ফোৰণটো বাস্তবিক শক্তিৰ পৰিচায়ক নাছিল, অথচ এই বোমা উৎপাদনকাৰী দেশৰ হাতত আটাইবোৰ ৰাজনৈতিক ক্ষমতা হস্তান্তৰিত হ'ল। ফলত সকলোবোৰ দেশ এই ক্ষমতা আহৰণ কৰাত ব্যস্ত হৈ পৰিল। অৱশেষে ৰাছিয়াই অতি কম সময়ত ইয়াক আয়ত্ব কৰাত সমৰ্থ হ'ল। আন সকলোবোৰ দেশ এই দুই মহাশক্তিৰ আগত আঁঠু কাঢ়িলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অস্ত্ৰ, উন্নত ধৰণৰ অস্ত্ৰ ( পাৰমানবিক বোমা ইত্যাদি ) উৎপাদন কৰাৰ ক্ষেত্ৰত ইউৰোপত জন্ম গ্ৰহণ কৰা বৈজ্ঞানিক সকলৰ অবদান আটাইতকৈ বেছি। এই বোমা প্ৰস্তুতিকৰণৰ নীতি অৰ্থাৎ নিউট্ৰন আবিষ্কাৰ কৰাৰ পৰা আৰম্ভ কৰি মেনহাটন প্ৰজেক্টত ইয়াক অন্তিম ৰূপ দিয়া পৰ্য্যন্ত বৈজ্ঞানিক সকলৰ ভিতৰত আছিল ইউৰোপৰ পৰা পলায়ন কৰা বৈজ্ঞানিক সকল। আনহাতে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিয়ে বৈজ্ঞানিক সকলক এই অস্ত্ৰ আবিষ্কাৰ কৰাত বাধ্য কৰিছিল বুলি কলে ভুল নহব। নিউট্ৰনৰ আবিষ্কাৰ আৰু ইয়াৰ দ্বাৰা কৃত্ৰিমভাবে তেজষ্ক্ৰিয় মৌল বা গধুৰ মৌল প্ৰস্তুত কৰাটোৱে আছিল প্ৰথম পদক্ষেপ। ইটালিৰ ভৌতবিদ্ এনৰিকো ফাৰ্মিয়ে ভাবিছিল যে নিউট্ৰন ভেদ কৰি ইউৰেনিয়াম সকলোতকৈও গধুৰ মৌল পাব পৰা যাব ; কিন্তু উক্ত পৰীক্ষা কৰোঁতে নভৰাকৈ U-মৌল দুই ভাগত বিভক্ত হৈ পৰিল। একে পৰীক্ষা হান আৰু ষ্ট্ৰাচমেনে Kaiser wilhelm Institute of physics, Berlin ত পৰীক্ষা কৰিলে ; কিন্তু তেওঁলোকে বিভক্ত মৌলবোৰক চিনাক্ত কৰিব নোৱাৰিলে। হানে এই বিষয়ে নিজৰ নিকটতম সহযোগী মিচ্ মেইট্নাৰক জনালে। মিচ্ মেইট্নাৰ এগৰাকী আষ্ট্ৰীয়ান আছিল আৰু নাজী শাসনৰ সময়ত জাৰ্মান ত্যাগ কৰিছিল। মিচ মেইট্নাৰে আৰু তেখেতৰ ভাগিন ফ্ৰিচেচে ঘোষণা কৰিলে যে, উক্ত প্ৰক্ৰিয়াটো হ'ল Fission ( বিভংগন ) আৰু এই প্ৰক্ৰিয়াত এটি নিশ্চিত পৰিমানৰ শক্তি আইনষ্টাইনৰ সূত্ৰ অনুসৰি ওলাবই লাগিব। উক্ত সকলোবোৰ ঘটনা হ'ল ১৯৩৯ চনৰ ; অষ্ট্ৰীয়াক দখল কৰি হিটলাৰৰ নাজী সৈন্যবাহিনী চেকশ্লাভিয়া, মোৰাভীয়া আৰু বহেমিয়াৰ ফালে অগ্ৰসৰ হ'ল। তেনে এটা দুষিত পৰিৱেশত আমেৰিকাৰ আৰু ইউৰোপৰ বৈজ্ঞানীক সকল জাৰ্মানীৰ পৰা প্ৰচাৰিত এই Fission কাৰ্য্যৰ ওপৰত গভীৰভাবে বিচাৰ কৰিব ধৰিলে। ইউৰেনিয়াম-235 পৰমাণুৰ Fission কৰি দেখা গ'ল যে ইউৰেনিয়াম বিভক্ত হোৱাৰ লগতে দুটা নতুন নিউট্ৰনৰ উদ্ভৱ হয় আৰু এই উৎপন্ন নিউট্ৰনৰ দ্বাৰা অন্য উৎপন্ন মৌলক ভেদ কৰিলে আকৌ নিউট্ৰনৰ উদ্ভৱ হয়, গতিকে ই এটা শৃংখল বিক্ৰিয়া ; আনহাতে উৎপন্ন মৌলৰ মুঠ ভৰ মূল মৌলতকৈ কম আৰু ইয়াক শৃংখলভাবে ভৰৰ হ্ৰাস আৰু হ্ৰাস হোৱা ভৰ সম্পূৰ্ণৰূপে শক্তিত পৰিৱৰ্তন নীতিত এটা শক্তিশালী বোমা প্ৰস্তুত

কৰিব পৰা যায়। বিখ্যাত পদাৰ্থ বিজ্ঞানী ব'ৰ উক্ত নিউক্লীয় শক্তিৰ খবৰ নিজস্ব বৈজ্ঞানিকমূলক মনোভাৱৰ বাবে আমেৰিকালৈ আনিলে। আমেৰিকাত থকা এজন হাংগেৰীয়ান জিলাৰ্ড সেই সময়ৰ অত্যন্ত বিখ্যাত আৰু চৰকাৰৰ সন্মানীয় বৈজ্ঞানিক অলবৰ্ট আইনষ্টাইনক এখন চিঠিত সাক্ষৰ কৰিবলৈ অনুৰোধ কৰিলে। সেই চিঠিৰ মৰ্মে জাৰ্মানী ইউৰেনিয়ামৰ বিশেষত্ব আৰু ইয়াৰ দ্বাৰা উৎপাদিত অস্ত্ৰ নিৰ্মাণ কৰাত ব্যস্ত হৈ পৰিছিল। আইনষ্টাইনে উক্ত কথাত বিশ্বাস কৰি নিজৰ সন্মতি প্ৰকাশ কৰিছিল অৱশ্যে যুদ্ধৰ পাছত তেওঁ নিজৰ সিদ্ধান্তৰ আত্ম-সমালোচনা কৰিছিল আৰু আৰ্তনাদ কৰি উঠিছিল যে তেওঁ যদি জানিলেহেঁতেন যে, জাৰ্মানীয়ে এই বোমাক লৈ বিশেষ অগ্ৰসৰ হোৱা নাই, তেতিয়া তেওঁ নিজৰ কেঞা আঙুলিও নলৰালেহেঁতেন। যি কি নহওক কিয়, ২ আগষ্ট ১৯৩৯ চনত স্বাক্ষৰিত সেই গুৰুত্বপূৰ্ণ চিঠিৰ ভিত্তিত মাৰ্কিন যুক্তৰাষ্ট্ৰ ব্ৰিটেনৰ যুটীয়া প্ৰচেষ্টাত মেনহাটন প্ৰজেক্টত কোটি কোটি ডলাৰ খৰচ কৰি সাতত্ৰিচটা গোপন কাৰখানাত ২ লাখ মানুহক নিযুক্ত কৰি কাৰ্য্যবোৰ আৰম্ভ কৰিলে আৰু আচৰিতভাৱে যি কাৰ্য্য সম্পাদন কৰিবলৈ যাওতে ৫ ৰ পৰা ১০ বছৰৰ প্ৰয়োজন হয়, সেই কাম কিন্তু কেৱল ৩০ মাহৰ ভিতৰত সম্পাদন কৰা হ'ল। আনহাতে, ১৯৪৪ চনত ALSOS মিচনৰ গোপন প্ৰতিবেদনত জনা গল যে জাৰ্মানীৰ হাতত এনে ধৰণৰ কোনো বোমা নাই।

১৯৪৫ চনৰ আগভাগৰ পৰাই মিত্ৰৰাষ্ট্ৰ বিশেষকৈ আমেৰিকাৰ B-29 বিমানৰ দ্বাৰা জাপানৰ মুখ্য চহৰবোৰ আৰু এচিয়াৰ বিভিন্ন অঞ্চলত থকা সৈন্য বাহিনীৰ ওপৰত বিমান ভেদি আক্ৰমণে জাপানৰ বহু ক্ষয়-ক্ষতি আনিলে। এই অভিযানৰ উদ্দেশ্য আছিল মাঞ্চুৰিয়া সীমান্তত USSR এ ৪০-ডিভিজন পৰ্য্যন্ত সৈন্য ৰখাৰ। সমগ্ৰ কোৱানটুং বাহিনী সেই সীমান্তত আবদ্ধ হৈ পৰিছিল। বিশেষকৈ ১০ মাৰ্চ, ২১ এপ্ৰিল আৰু ২৫ মে ১৯৪৫ ত ট'কিঅ'ৰ ওপৰত চলা আক্ৰমণৰ ফলত চহৰখন প্ৰায় বিধ্বস্ত হৈছিল। আটাইতকৈ বৃহত্তম আকাশমাৰ্গৰ আক্ৰমণ ২৫ মেৰ দিনাখন ট'কিঅ'ৰ ওপৰত ঘটিছিল ; যিটো অভিযানত ৬০০ আমেৰিকান B-29 বিমানে অংশ গ্ৰহণ কৰিছিল। পৃথিৱীৰ ঘৃণিত উক্ত সকলোবোৰ আক্ৰমণত প্ৰাণ-চঞ্চল নগৰী হিৰোছিমা আৰু নাগাছাকিক সম্পূৰ্ণ-ৰূপে ছাৰখাৰ কৰি দিয়াত— সম্ৰাট হিৰোহিতো মৰ্মাহত হৈ পৰে আৰু তেওঁ Super war council ৰ এটি বিশেষ সভা আহ্বান কৰে। কেইজনমান সহযোগী বিৰোধিতা সত্বেও হিৰোহিতো মিত্ৰপক্ষৰ ওচৰত আত্মসমৰ্পণৰ সিদ্ধান্তৰ পৰা সম্ৰাট বিচলিত হোৱা নাছিল। ১৪ আগষ্ট ১৯৪৫ চনৰ দুপৰীয়া জাপানৰ NHK আন্তঃৰাষ্ট্ৰীয় চৌহদৰ ষষ্ঠ মহলাৰ পৰা সম্ৰাটৰ বিনাচৰ্ত আত্মসমৰ্পণৰ ঘোষণা জাপানীসকলে শুনিব পালে। এই ঘোষণা বিশ্বৰ সকলোবোৰ ৰেডিও কেন্দ্ৰত প্ৰচাৰ কৰা হৈছিল। আত্মসমৰ্পনৰ ঘোষণা শুনি যুদ্ধবাজ বহুতো উচ্চ পদস্থ সামৰিক বিষয়াই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ, সন্মানিত সৈনিক পৰিধানত 'হাৰাকিৰি' উপায়েৰে আত্মহত্যা কৰিছিল। ইয়াৰ পিচৰ পৰা দ্বিতীয় মহাযুদ্ধৰ অৱসান ঘটিব ধৰিলে।

জাৰ্মানীয়ে আত্মসমৰ্পন কৰাৰ পিচত যুদ্ধ ক্ষেত্ৰত জাপানৰ অৱস্থা অতি শোচনীয় হয় আৰু যিকোনো মুহূৰ্তত মিত্ৰ বাহিনীৰ ওচৰত

আত্মসমৰ্পণৰ সম্ভাৱনা প্ৰকট হৈ উঠে ; লগতে ছোভিয়েত ফৌজৰ প্ৰস্তুতি চলিছিল পৰিকল্পনা অনুসৰি আৰু ইয়াক সম্পূৰ্ণ কৰা হৈছিল মিত্ৰ শক্তিয়ে গ্ৰহণ কৰা সময় সীমাৰ ভিতৰত। তেনেস্থলত এনে এটি পাশবিক কাৰ্য্য নৈতিক ৰাজনৈতিক আৰু সামৰিক দিশত যুক্তিসংগত আছিলনে ? স্বয়ং মাৰ্কিন বিমান বাহিনীৰ কামাণ্ডাৰ জেনেৰেল ক্লেয়াৰ চেনেল্টৰ মতে জাপানী যুদ্ধত ৰাছিয়াৰ প্ৰৱেশেই আছিল এই যুদ্ধৰ দ্ৰুত অৱসানৰ নিৰ্ণায়ক উপাদান। চাৰ্চিলে তেওঁৰ স্মৃতি কথাত উল্লেখ কৰিছে যে "জাপানৰ ভাগ্য এটম বোমাই নিৰ্ধাৰণ কৰিলে বুলি ধৰিলে ভুল হব" কিন্তু এই কাৰ্য্যই জাপানৰ ক্ষেত্ৰত নিৰ্ণায়ক উপাদান বুলি দেখুৱাবলৈ পিচত চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত কব পাৰি যে উক্ত বোমা নিক্ষেপ কৰাৰ মুখ্য কাৰণ আছিল তিনিটা—প্ৰথম জাপানে পাৰ্ল হাৰবাৰ ধ্বংস কৰাৰ প্ৰতিশোধ. দ্বিতীয়তে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সামৰিক শক্তিৰ প্ৰদৰ্শন কৰি ৰাছিয়াকে ধৰি কমিউনিষ্ট গোষ্ঠীটোক ভীতি প্ৰদৰ্শন কৰা। আৰু ছোভিয়েত ৰাছিয়াৰ বিৰুদ্ধে শীতল কুটনৈতিক যুদ্ধৰ অভিযান কৰা।

দ্বিতীয় প্ৰশ্ন হল শ্বেত প্ৰভুসকলে এই এটম বোমা মিত্ৰবাহিনীৰ প্ৰৱলতৰ শত্ৰু জাৰ্মানী বা ইটালীৰ যিকোনো এখন চহৰত নিক্ষেপ কৰিব পাৰিলেহেতেন কিন্তু নিজস্ব স্বজাতি বা স্বমহাদেশৰ মহানিধন যজ্ঞৰ সমাপন কৰিব তেওঁলোকে বিচৰা নাছিল। যুগ যুগ ধৰি এচিয়া আৰু আফ্ৰিকা মহাদেশত কৰি অহা শোষণ আৰু নিপীড়ন অব্যাহত ৰাখি এছিয়াৰ মানুহক গিনিপিগৰ দৰে পৰীক্ষাথলী হিচাবে শ্বেত প্ৰভুসকলে নিৰ্বাচন কৰিবলৈ অকনো কুণ্ঠাবোধ নকৰিলে।

যি নিউক্লিয়াৰ প্ৰচণ্ড শক্তি অসংখ্য ক্ষেত্ৰত শান্ত পূৰ্ণ ব্যৱহাৰৰ উপায় আছে, আনকি হিৰোছিমা আৰু নাগাছাকিৰ হৃদয় বিদাৰক অভিজ্ঞতা আৰু তীব্ৰ পাপবোধত জৰ্জৰিত হোৱা স্বত্তেও কিছুমান দেশে পাৰমানবিক যুদ্ধাস্ত্ৰ নিৰ্মান কৰি জমা ৰখা আৰু কিছুমান দেশে ইয়াক তৈয়াৰ কৰাৰ উদ্যম লোৱাত বিন্দুমাত্ৰ হ্ৰাস আজিও কৰা নাই। এটি হিচাবৰ পৰা দেখা গৈছে যে বৰ্তমান বিশ্বত প্ৰতি মিনিটত অস্ত্ৰৰ বাবে খৰচ হয় ১৫ লাখ ডলাৰ। অথচ এই খৰচৰ এশ ভাগৰ এভাগ খৰচ কৰিলে ২১ কোটি ক্ষুধাৰ্ত শিশুৰ মুখত পুষ্টিকৰ খাদ্য দিব পাৰি।

অৰ্ধ শতাব্দীৰ পিছতো আজিও হিৰোছিমা নাগাছাকিত বিস্ফোৰণৰ প্ৰতিধ্বনি অনুৰণিত হৈয়ে আছে। কেৱল শোক আৰু বেদনা অভিব্যক্তিৰ কাৰণে মহাযুদ্ধক সোঁৱৰা নহয়। বৰং যিসকলে মানৱ জাতিৰ ভৱিষ্যতৰ বাবে ফেচিবাদ আৰু সমৰবাদৰ বিৰুদ্ধে ভয়ংকৰ যুদ্ধত অৱতীৰ্ণ হৈ নিজৰ প্ৰাণ আহুতি দিছিল, সেই সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ কাৰণেও এই যুদ্ধৰ কথা সোঁৱৰা হয়। পাৰমাণৱিক অস্ত্ৰকে ধৰি. সকলোবোৰ বিধ্বংসমূলক অস্ত্ৰ আৰু ধ্বংসকামী শক্তিৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈ সক্ৰিয়ভাৱে যুঁজ দিয়াৰ সময় সমাগত। এইটোকে লক্ষ্য ৰাখি ১৯৫৫ চনত বাৰ্ট্ৰাণ্ড ৰাচেল আৰু এলবাৰ্ট আইনষ্টাইনৰ বিশ্বশান্তিৰ প্ৰস্তাৱত বিশ্বৰ বিভিন্ন দেশে সহাৰি দি প্ৰথম সন্মিলন কানাডাৰ পাগৱাছত অনুষ্ঠিত কৰিছিল। পাগৱাছ সন্মিলন নামে জনাজাত এই সন্মিলন এই বছৰ বোম বিস্ফোৰণৰ অৰ্ধশতাব্দীৰ পিছত হিৰোছিমাত হৈ যায়। হিৰোছিমাত এই অভিশপ্ত ভয়াবহ মৰণাস্ত্ৰ 'পাৰমাণৱিক বোমা নিক্ষেপনত নিহত লাখ লাখ মৃতকৰ স্মৃতিত নিৰ্মিত স্মৃতিসৌধত জাপানী সকলে লিখি থৈছে—'Rest in peace, because we will not repeat the error" (শান্তিত টোপনি যোৱা, আমি কেতিয়াও সেই ভুলৰ পুনৰাবৃত্তি নকৰো)।

# শ্ৰদ্ধাঞ্জলি

## তিনিগৰাকী স্বনামধন্য ব্যক্তিৰ সোঁৱৰণত

শ্ৰীলক্ষ্মীকান্ত শৰ্মা
অধ্যাপক, বুৰঞ্জী বিভাগ

ব্যক্তিত্বৰ বিশালতা, স্বকীয় আদৰ্শ আৰু কৰ্মৰাজিৰে সময়বালিত স্বাক্ষৰ ৰাখি থৈ যোৱা বৰেণ্য তিনিগৰাকী ব্যক্তিৰ সোঁৱৰণত শ্ৰদ্ধাজ্ঞাপন কৰাৰ উদ্দেশ্যে এই ক্ষুদ্ৰ নিবন্ধত স্মৃতি তৰ্পণ কৰা হৈছে। স্বনামধন্য প্ৰয়াত এই তিনি গৰাকী ব্যক্তি হ'ল — ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰীৰূপে অভিহিত প্ৰাচ্যতত্ত্ববিদ পণ্ডিত-গৱেষক ডঃ মহেশ্বৰ নেওগদেৱ আৰু অসমীয়া লোক-সংস্কৃতিৰ গৱেষক পণ্ডিত ডঃ প্ৰফুল্ল দত্ত গোস্বামীদেৱ। তেখেত সকলৰ কৰ্ম আৰু সাধনাই উত্তৰ পুৰুষক সদায় যেন অনুপ্ৰাণিত কৰি থাকিব।

## ॥ প্ৰাক্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই ॥

এক বিৰল ব্যক্তিত্বৰে নিজ আদৰ্শত অটল থাকি স্বাধীনোত্তৰ ভাৰতৰ ৰাজনীতিত এখন সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হোৱা ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মোৰাৰজী ৰণছোৰজী দেশাইৰ যোৱা ১০ এপ্ৰিল, ১৯৯৫ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। দেশৰ স্বাধীনতা সংগ্ৰামত এগৰাকী অক্লান্ত সংগ্ৰামী হিচাপে আত্মপ্ৰকাশ কৰি পিচত ভাৰতৰ ৰাজনৈতিক আকাশত উজ্জ্বল তাৰকা হৈ উঠা প্ৰয়াত মোৰাৰজী দেশাইৰ এশ বছৰীয়া জীৱন ইতিহাস কম ঘটনাবহুল নহয়।

১৮৯৬ খৃঃ ৰ ২৯ ফেব্ৰুৱাৰীৰ দিনা গুজৰাটৰ ভাদেলী নামৰ ঠাইত মোৰাৰজী দেশাইৰ জন্ম হৈছিল। তেখেতৰ জন্মদিনটোৰ এটি বিশেষত্ব আছিল আৰু সেইটো হ'ল, চাৰি বছৰৰ মূৰে মূৰে তেখেতৰ জন্ম-দিন পালন। কাৰণ প্ৰতি চাৰি বছৰৰ মূৰতহে ফেব্ৰুৱাৰী মাহটো ২৯ দিনীয়া হয়। দেউতাক-মাকৰ আঠটি ল'ৰা-ছোৱালীৰ ভিতৰত মোৰাৰজী দেশাইয়ে জ্যেষ্ঠ আছিল। মাত্ৰ ১৫ বছৰ বয়সতে মোৰাৰজী বিবাহ পাশত আবদ্ধ হৈছিল। তেখেতৰ বিবাহৰ তিনিদিন আগতে দেউতাকে আত্মঘাতী হৈ মৃত্যুবৰণ কৰিছিল। ফলত মোৰাৰজীয়েই পৰিয়ালটিৰ সমস্ত দায়িত্ব লব লগীয়া হৈছিল। ঘৰুৱা এনে পৰিস্থিতিয়ে মোৰাৰজীৰ শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি কৰিব নোৱাৰিলে। সুখ্যাতিৰে মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰি তেখেতে ভৱনগৰৰ মহাৰজাৰ পৰা এটি

জলপানী লৈ উইলচন কলেজত বিজ্ঞান শাখাত ভৰ্তি হয় আৰু ১৯১৭ খৃঃ ত প্ৰথম শ্ৰেণীলৈ স্নাতক ডিগ্ৰী লাভ কৰে।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত তেখেতে বম্বে প্ৰভিন্সিয়েল চিভিল চাৰ্ভিচত সোমায় আৰু আহমদাবাদত ডেপুটী কলেক্টৰ হিচাপে কৰ্ম-জীৱনৰ পাতনি মেলে। এনে লোভনীয় চাকৰি পায়ো কিন্তু তেখেতে বেছিদিন বিদেশী চৰকাৰৰ অধীনত চাকৰি কৰি নেথাকিল। জাতীয় মুক্তি সাধনৰ মহান ব্ৰত লৈ তেখেতে বিদেশী চৰকাৰা-ধীন চাকৰি ইষ্টফা দি দেশৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিল। তেখেতে ভালকৈ উপলব্ধি কৰিছিল যে ভাৰতীয় কোনো লোকে তেওঁলোকক পৰাধীন কৰি ৰখা বিদেশী ব্ৰিটিছ চৰকাৰৰ অধীনত চাকৰি কৰাটো উচিত নহয়।

গান্ধীজীৰ নীতি আৰু আদৰ্শৰে অনুপ্ৰাণিত হোৱা মোৰাৰজী দেশাই গান্ধীজীৰ একান্ত ভক্ত তথা অনুগামী হৈ পৰিছিল। ১৯৩০ খৃঃ ত মোৰাৰজীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰিলে। সেই বছৰতে গান্ধীজীৰ নেতৃত্বত ব্ৰিটিছৰ বিৰুদ্ধে আইন অমান্য আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ নেতৃত্ব দি গান্ধীজীয়ে ব্ৰিটিছ চৰকাৰৰ লোণ আইন ভঙ্গ কৰিবলৈ গুজৰাটৰ সবৰমতী আশ্ৰমৰ পৰা সাগৰৰ পাৰৰ ডাণ্ডিলৈ সদলবলে যাত্ৰা কৰে। এই আন্দোলনে দেশত ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে প্ৰবল জোৱাৰৰ সৃষ্টি কৰিলে। এই আন্দোলনত যোগদান কৰি অন্যান্য সহযোগী সকলৰ লগতে মোৰাৰজীয়েও কাৰাবাস খাটিব লগীয়া হয়। ইয়াৰ পিচতো আৰু দুবাৰ ১৯৩৪ আৰু ১৯৪০ খৃঃ ত মোৰাৰজীয়ে কাৰাবৰণ কৰিছিল। দেশৰ মুক্তিৰ নামত কাৰাবৰণ কৰাটো তেখেতৰ কাৰণে অতি তুচ্চ কথা হৈ পৰিছিল।

এগৰাকী নিষ্ঠাবান স্বাধীনতা সংগ্ৰামী হোৱাতে মোৰাৰজীৰ কৃতিত্ব নিহিত নাছিল—এগৰাকী সুদক্ষ প্ৰশাসক আৰু ৰাজনীতিবিদ হিচাবেও তেখেতে কৃতিত্বৰ পৰিচয় দিব পাৰিছিল। ১৯৪৬ খৃঃ ত বম্বে লেজিছলেটিভ্ এছেম্ব্লিলৈ নিৰ্বাচিত হোৱাৰে পৰা ১৯৬৯ খৃঃ ত কেন্দ্ৰীয় অৰ্থমন্ত্ৰী হিচাবে পদত্যাগ কৰালৈকে তেখেতে বোম্বাইৰ গৃহ তথা ৰাজহমন্ত্ৰী, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগমন্ত্ৰী, অৰ্থমন্ত্ৰী, উপ প্ৰধান-মন্ত্ৰী আদি বিভিন্ন পদমৰ্যাদাত থাকি দেশলৈ সেৱা আগবঢ়ায়। ১৯৭৭ খৃঃ ত তেখেতে ভাৰতৰ প্ৰথম গৰাকী অকংগ্ৰেছী প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ উপৰিও তেখেতে প্ৰশাসনীয় সংস্কাৰ আয়োগৰ চেয়াৰমেন হিচাপে প্ৰশাসনীয় ব্যৱস্থাক নতুনকৈ গঢ় দিয়াত ভালে-খিনি অৰিহণা যোগাইছিল। অৰ্থমন্ত্ৰী হিচাপে তেখেতে বিত্তীয় শৃংখলা ৰক্ষা কৰাত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল।

১৯৬৯ খৃঃ ত দেশাইৰ ৰাজনৈতিক জীৱনত প্ৰচণ্ড ঘূৰ্ণীবতাহৰ সৃষ্টি হৈছিল। অৱশ্যে এই বতাহৰ সূত্ৰপাত ১৯৬৭ খৃঃ তে হৈছিল। ১৯৬৭ খৃঃ ৰ সাধাৰণ নিৰ্বাচনৰ পিচতে উপ-প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই আৰু সেই কালৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীৰ মাজত বেংক ৰাষ্ট্ৰীয়কৰণৰ প্ৰশ্নলৈ সাংঘাটিক মত বিৰোধ ঘটে। ১৯৬৭ খৃঃ ত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনত গৃহীত দহ-দফীয়া কাৰ্য্যসূচীৰ এটা কাৰ্য্যসূচী আছিল বেংক ৰাষ্ট্ৰীয়কৰণ—যিটোৰ নেকি তীব্ৰ বিৰোধিতা কৰিছিল মোৰাৰজী দেশায়ে। প্ৰধানমন্ত্ৰী গান্ধীয়ে দেশাইৰ 'সামাজিক নিয়ন্ত্ৰণৰ' (Social control)

ধাৰণাত প্ৰথমে হয়ভৰ দিছিল যদিও ১৯৬৯ খৃঃ ত বাঙ্গালোৰত বহা কংগ্ৰেছ অধিবেশনত স্পষ্টকৈ ঘোষণা কৰিলে যে কংগ্ৰেছৰ এক নম্বৰ কাৰ্যসূচী হব বেংক ৰাষ্ট্ৰীয়কৰণ। বেংক ৰ'ষ্ট্ৰীয়-কৰণ কৰাৰ সুফল-কুফল কি হ'ল বা হব সময়ে ইয়াৰ মুল্যায়ন কৰি যাব। কিন্তু এটা কথা ঠিক যে সেইসময়ত বেংক ৰাষ্ট্ৰীয়কৰণ কৰি প্ৰয়াত গান্ধীয়ে জনপ্ৰিয়তাৰ শীৰ্ষস্থান লাভ কৰিছিল। সি যি কি নহওক মোৰাৰজীয়ে কিন্তু ইন্দিৰাজীৰ কথাতে হাত-উজান দিয়া নাছিল। প্ৰধানমন্ত্ৰী গান্ধী আৰু মোৰাৰজী দেশাইৰ মাজত সম্বন্ধৰ চূড়ান্ত অৱনতি ঘটে ১৯৬৯ খৃঃ ত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনক কেন্দ্ৰ কৰি। এই নিৰ্বাচনত নীলম সঞ্জীৱ ৰেড্ডী কংগ্ৰেছ প্ৰাৰ্থী আছিল যদিও তেখেতৰ প্ৰতিদ্বন্দ্বী কৰি ভি. ভি. গিৰিক প্ৰাৰ্থীত্ব দিয়া হ'ল আৰু প্ৰয়াত গান্ধীয়ে ভি. ভি. গিৰিৰ সপক্ষে বিবেক ভোট প্ৰদান কৰিবলৈ আহ্বান জনালে। মোৰাৰজীয়েও নিজৰ বিবেকেৰে সঞ্জীৱ ৰেড্ডীৰ সপক্ষেই ভোট প্ৰদান কৰিলে। তেখেত সকলৰ মাজত চলা বিৰোধে এনে নগ্নৰূপ ললে যে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পাছতে প্ৰধানমন্ত্ৰী গান্ধীয়ে দেশাইক তেখেতৰ অৰ্থনৈতিক চিন্তাধাৰা দ্ৰুত অৰ্থনৈতিক পৰিবৰ্ত্তনকাৰী নহয় বুলি বিত্ত দপ্তৰৰ দায়িত্বৰ পৰা অব্যাহতি দিলে। তেখেত সকল নিজ নিজ মতত ইমান অবিচল আছিল যে কোনো এজনে সহনশীল দৃষ্টিভঙ্গী লব পৰা নাছিল। প্ৰধানমন্ত্ৰী গান্ধী আৰু দেশাইৰ মাজত চলা এই দ্বন্দ্বৰ ফলস্বৰূপে ১৯৬৯ খৃঃ ত কংগ্ৰেছ দল দুভাগ হ'ল। এটা ফাল ইন্দিৰা গান্ধীৰ নেতৃত্বত শাসক কংগ্ৰেছৰূপে পৰিগণিত হ'ল আৰু আনটো ফাল দেশাইৰ নেতৃত্বত সাংগঠনিক কংগ্ৰেছৰূপে থাকি গ'ল। ১৯৭১ খৃঃৰ সাধাৰণ নিৰ্বাচনত দেশাই চুৰাট সমষ্টিৰ পৰা লোক সভালৈ নিৰ্বাচিত হয়।

১৯৭১ খৃঃৰ নিৰ্বাচনৰ পাছৰ পৰাই অপ্ৰতি-দ্বন্দ্বী ক্ষমতাৰ অধিকাৰিণী হৈ পৰা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭৫ খৃঃৰ ২৫ জুন তাৰিখে দেশত জৰুৰী-কালীন অৱস্থা ঘোষণা কৰিলে। মোৰাৰজীয়ে ইন্দিৰা গান্ধীৰ এনে কাৰ্যাৰ তীব্ৰ বিৰুদ্ধাচৰণ কৰিলে। জৰুৰী-কালীন সময়ত গ্ৰেপ্তাৰ হোৱা নেতাসকলৰ ভিতৰত মোৰাৰজীও অন্যতম আছিল। ১৯৭৭ খৃঃ ত লোক সভাৰ নিৰ্বাচন ঘোষণাৰ লগে লগে জয়প্ৰকাশ নাৰায়ণ প্ৰমুখ্যে নেতাসকলক মুক্তি দিয়া হ'ল। এই নিৰ্বাচনৰ অন্যতম দিশ এটা আছিল সাংগঠনিক কংগ্ৰেছ, জনসংঘ, ভাৰতীয় লোকদল আৰু সমাজবাদী পাৰ্টি লগ লাগি "জনতা দল" নামে দল গঠন কৰি কংগ্ৰেছৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় হয়। এই দল গঠনত আগভাগ লোৱা ব্যক্তি গৰাকী আছিল প্ৰয়াত লোকনায়ক জয়-প্ৰকাশ নাৰায়ণ। নিৰ্বাচনত বিপুল সংখ্যা গৰিষ্ঠতা লৈ জনতা দল ক্ষমতালৈ আহিল। মোৰাৰজী দেশাই প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হ'ল।

জনতা চৰকাৰে গ্ৰহণ কৰা কিছুমান ভ্ৰান্ত নীতি, জনতাদলৰ অংশীদাৰ দলসমূহৰ মাজত থকা আদৰ্শৰ বিৰোধ, সুবিধাবাদী এচাম নেতাৰ উচ্চাকাংক্ষা আদি বিভিন্ন কাৰণত জনতাদলৰ চৰকাৰখন সুস্থিৰ হব নোৱাৰিলে। অৱশেষত প্ৰধানমন্ত্ৰী হিচাপে মোৰাৰজীয়ে পদত্যাগ কৰিবলৈ বাধ্য হ'ল। ১৯৮০ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দল পুণৰ ক্ষমতালৈ ঘূৰি আহিল। কিন্তু

এটা কথা মানিব লাগিব যে প্ৰধানমন্ত্ৰীত্বৰ এই চমু কাৰ্য্যকালত দেশৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ বাবে ৮১ বছৰীয়া বৃদ্ধ মোৰাৰজী দেশায়ে যি নেতৃত্ব দিছিল সি সঁচাকৈয়ে অতি চমকপ্ৰদ আছিল।

একনিষ্ঠ গান্ধীবাদী হিচাপে মোৰাৰজীয়ে সামাজিক তথা নৈতিক মূল্যবোধৰ ওপৰত গুৰুত্ব দিছিল। জীৱনত কেতিয়াও তেখেতে সামাজিক অবিচাৰ বা ৰাজনৈতিক অবিচাৰ সহ্য নকৰিছিল। সেয়ে তেখেতে ১৯৫৬ খৃঃত আহমদাবাদত সংঘটিত হিংসাত্মক কাৰ্যাৰ প্ৰতিবাদ কৰি অনশন পালন কৰিছিল। ১৯৬৯ খৃঃ তো নিজৰ বিবেকৰ শুদ্ধি বিচাৰি ১০ দিন অনশন ব্ৰত পালন কৰিছিল। ৰাজহুৱা জীৱনত নৈতিকতাবোধৰ উচ্চ আদৰ্শ দাঙি ধৰা দেশাইয়ে চৰকাৰী খিতাপ, সন্মান আদিৰ প্ৰতিও অভিলাষী নাছিল। অৱশ্যে জীৱনৰ অন্তিম বেলাত ভাৰত চৰকাৰে তেখেতক দেশৰ সৰ্বোচ্চ সন্মান "ভাৰত ৰত্ন" উপাধিৰে বিভূষিত কৰে।

নীতিৰ বিষয়ত আপোচহীন, দৃঢ়মনা, আদৰ্শবাদী, কৰ্মযোগী আৰু ভাৰতীয় ঐতিহ্যৰ প্ৰতি আস্থাশীল এই গৰাকী বিচক্ষণ ৰাজনীতিবিদৰ মৃত্যুত আমাৰ অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। তেখেতৰ বিদেশী আত্মাই চিৰশান্তি লাভ কৰক!

**অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ অন্যতম কাণ্ডাৰী প্ৰথিতযশা পণ্ডিত গৱেষক**

## ডঃ মহেশ্বৰ নেওগ

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতত এটি উজ্জ্বল জ্যোতিষ্কৰূপে প্ৰতিভাত হোৱা ডঃ মহেশ্বৰ নেওগদেৱ আৰু আমাৰ মাজত নাই। যোৱা ১৩ চেপ্তেম্বৰ, ১৯৯৫ তাৰিখ বুধবাৰে ৰাতিপুৱা ৭-৪০ মিনিটত তেখেতৰ মহাপ্ৰয়াণ ঘটিল। সেইদিনা আছিল মহাপুৰুষ মাধবদেৱৰ পুণ্য তিৰোভাৱ তিথি। নেওগদেৱৰ কাৰণে এয়া পৰক সৌভাগ্যৰ বিষয় বুলিয়ে ক'ব লাগিব যে এনে এক পুণ্যতিথিতে তেখেতে পৰলোকলৈ গতি কৰিলে।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু ডঃ বাণীকান্ত কাকতিদেৱ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক মহীয়ান কৰি তুলিবলৈ যি পথ অনুসৰণ কৰিছিল সেই পথেৰেই বাটবুলি অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বৰভেটিটো মজবুত কৰি এক উচ্চ মৰ্য্যাদা সম্পন্ন আসনত প্ৰতিষ্ঠিত কৰা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ একনিষ্ঠ সেৱক, গৱেষক, প্ৰাচ্যতত্ত্ববিদ পণ্ডিত, অসম সাহিত্য সভাৰ সদস্য মহীয়ান উপাধিৰে বিভূষিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'জৱাহৰলাল নেহৰু অধ্যাপক' —'কলাগুৰু'—। 'প্ৰফেছাৰ এমাৰিটাচ' সন্মানেৰে সন্মানিত ডঃ নেওগদেৱৰ জন্ম হৈছিল ১৯১৫ খৃঃৰ ৭ চেপ্তেম্বৰৰ দিনা শিৱসাগৰৰ কমাৰকদীয়া নামৰ এখন গাৱঁত যিখন গাৱঁকেই নেকি তেখেতৰেই অগ্ৰজ ভ্ৰাতৃ কবি সাহিত্যিক প্ৰয়াত ডিম্বেশ্বৰ নেওগদেৱে "মোৰ গাঁও" নামৰ কবিতাটিৰ জৰিয়তে অমৰ কৰি থৈ গৈছে। তেখেতৰ পিতৃৰ নাম আছিল ৺মানিক চন্দ্ৰ নেওগ আৰু মাতৃ আছিল ৺ চন্দ্ৰপ্ৰভা নেওগ।

ছাত্ৰ হিচাপে ডঃ নেওগদেৱ বৰ মেধাবী আছিল। কমাৰকদীয়া প্ৰাইমাৰী স্কুলতে শিক্ষা জীৱনৰ পাতনি মেলা নেওগদেৱে ১৯৩৪ খৃঃত ষ্টাৰ লৈ মেট্ৰিক পাছ কৰে। ১৯৩৬ খৃঃত কটন কলেজৰ পৰা আই-এছচি আৰু পিচত সেই কলেজৰ পৰাই ইংৰাজী বিষয়ত অনাৰ্ছ লৈ বি.এ.

পাছ কৰে। ১৯৪৭ খৃঃত কলিকতা বিশ্ববিদ্যালয় পৰা অসমীয়া বিষয়ত এম. এ. ডিগ্ৰী লাভ কৰে। সাধাৰণ স্কুলতে শিক্ষা আৰম্ভ কৰি দেশৰ বিদ্বৎ মণ্ডলীৰ আসন গুৰনি কৰা ডঃ নেওগদেৱৰ শিক্ষা জীৱন আমাৰ উঠি অহা চামৰ কাৰণে নিশ্চয় এটি আদৰ্শ হৈ থাকিব।

কৰ্মকে জীৱনৰ ধৰ্ম হিচাপে গ্ৰহণ কৰা ডঃ নেওগদেৱৰ কৰ্মজীৱন শিক্ষকতাৰে আৰম্ভ হয়। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪৮ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাত ডঃ নেওগদেৱ অসমীয়া বিভাগৰ লেক্চাৰাৰ নিযুক্ত হয়। অসামান্য প্ৰতিভাৰ অধিকাৰী নেওগ দেৱৰ প্ৰতিভা বিকাশৰ সুযোগহে যেন তেতিয়া আৰম্ভ হ'ল। অধ্যাপনাৰ লগতে তেখেতে আৰম্ভ কৰিলে গৱেষণাৰ কাম। ১৯৫৫ খৃঃত তেখেতে "শংকৰদেৱ আৰু তেওঁৰ যুগ"ৰ ওপৰত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিলে। ১৯৫৭ খৃঃত তেখেতে "ৰীডাৰ" হিচাপে পদোন্নতি লাভ কৰে। ১৯৬৫ খৃঃত তেখেতক জৱাহৰলাল নেহৰু অধ্যাপক সন্মানেৰে বিভূষিত কৰা হয়। ১৯৭৪ খৃঃত তেখেতক "দিন-অৱ-দা-ফেকাল্টি অৱ আৰ্ট'ছ' প্ৰদান কৰা হয়। চিন্তাশীল আৰু অধ্যয়নশীল নেওগদেৱে শংকৰদেৱৰ ওপৰত কৰা অধ্যয়নৰ ফলত আৱিষ্কাৰ কৰিলে অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰপেৰাটো আৰু তাৰ ভিতৰত সঞ্চিত হৈ থকা অসমীয়া ভাষা-সাহিত্য-সমাজ সংস্কৃতিৰ বহুমূলীয়া মণি-মুকুতা মৰকতবোৰ। বৈষ্ণৱ সাহিত্য আৰু পুথি পাজিবোৰ তেখেতে বিজ্ঞান সন্মত বিশ্লেষণেৰে বিচাৰ কৰি চালে। ইতিমধ্যে সাহিত্যৰথীয়ে পোহৰৰ বাটলৈ অনা গুৰু শংকৰদেৱক ডঃ নেওগদেৱেও বিচাৰি পালে অসমীয়া সমাজ-সংস্কৃতি তথা ভাষা-সাহিত্যক গঢ় দিওতা এগৰাকী মহান কলাকাৰৰ সকলোখিনি। জীৱন-জোৰা সাধনাৰে সেয়ে তেখেতে গুৰু শংকৰদেৱক সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰতিষ্ঠা কৰি গ'ল।

ডঃ নেওগদেৱৰ সাহিত্য-কৃতি বহুমুখী। তেখেতে বিচৰণ কৰা সাহিত্য ক্ষেত্ৰখন বৰ বিশাল আছিল। ডঃ নগেন শইকীয়াৰ ভাষাৰে,— "(তেখেতে) পুৰণি শিলালিপিৰ পৰা আধুনিক কবিতালৈকে, শাস্ত্ৰীয় নৃত্য-গীতৰ পৰা লোক শিল্পলৈকে, প্ৰাচীন ভাস্কৰ্য্য-স্থাপত্যৰ পৰা আধুনিক চিত্ৰ-শিল্পলৈকে, ভাষাতত্বৰ পৰা নন্দনতত্বলৈকে, ইতিহাসৰ পৰা দৰ্শন আৰু ধৰ্মলৈকে বিচৰণ কৰি গ'ল।" (গৰীয়সী ডিচেম্বৰ সংখ্যা-পৃষ্ঠা-৪১)। তেখেতৰ ৰচিত আৰু সম্পাদিত প্ৰতিখন গ্ৰন্থৰে এক স্বকীয় বৈশিষ্ট তথা মূল্য আছে। তদুপৰি গ্ৰন্থসমূহত তেখেতে পাতনি দিছে সেইবোৰৰো এক সুকীয়া গাম্ভীৰ্য্যতা তথা সাহিত্যিক মূল্য আছে। বিস্তৰ অধ্যয়ন, অসামান্য পাণ্ডিত্য, বিজ্ঞান সন্মত বিশ্লেষণ কৰিব পৰা মানসিকতা আদিৰ বাবেই নেওগদেৱৰ গ্ৰন্থসমূহে এক সুকীয়া মৰ্যাদা লাভ কৰিছে।

অসমীয়া ভাষা সাহিত্যৰ সাধক ডঃ নেওগদেৱ এগৰাকী প্ৰাচ্যতত্ববিদ পণ্ডিতো আছিল। তেখেতৰ অধ্যয়নত পুৰাতত্ত্ব তথা প্ৰাচ্যতত্বৰ চৰ্চা আৰু গৱেষণাকো সামৰি লৈছিল। তেখেতৰ যত্নতে অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব চৰ্চাৰ ক্ষেত্ৰখন আৰু বেছি সমৃদ্ধ হৈ উঠিছিল। আলীগড়ত অনুষ্ঠিত অখিল ভাৰতীয় প্ৰাচ্য সন্মিলনত সমবেত প্ৰাচ্যতত্ত্ববিদ সকলৰ পৰা নেওগদেৱে ভূয়সী

প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হৈছিল। গুৱাহাটীত অনুষ্ঠিত প্ৰাচ্য সন্মিলন খনত তেখেতে অসাধাৰণ সংগঠন শক্তিৰ পৰিচয় দিয়ে।

অসম সাহিত্য সভাৰ লগত নেওগদেৱে ওতঃপ্ৰোত ভাৱে জড়িত আছিল। প্ৰথমে প্ৰধান সম্পাদক আৰু পৰৱৰ্ত্তীকালত সভাপতি হিচাপে নেতৃত্ব দি তেখেতে এই জাতীয় অনুষ্ঠানটোৰ মৰ্য্যাদা বৃদ্ধি কৰাৰ লগতে ইয়াক গতিশীল কৰি তুলিব বিচাৰিছিল। ১৯৭৪ খৃঃত বহা অসম সাহিত্য সভাৰ মঙ্গলদৈ অধিবেশনত সভাপতিৰূপে দিয়া তেখেতৰ অভিভাষণখন সাহিত্য সভাৰ দিক্ নিৰ্ণয়কাৰী হিচাপে আজিও পাঠক সমাজৰ পৰা সমাদৰ লাভ কৰি আছে।

এনাহ আৰু ভাগৰক নেওঁচা দিব পৰা ডঃ নেওগদেৱে ১৯৭৮ খৃঃত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো জীৱনৰ বিয়লি বেলিকা নিযুক্ত হৈছিল পাটিয়ালাৰ পাঞ্জাৱী বিশ্ববিদ্যালয়ত নতুনকৈ প্ৰৱৰ্ত্তন কৰা শংকৰদেৱ আসনৰ সঞ্চালক ৰূপে। তাত থকা কালছোৱাত গুৰু জনাক অসমৰ বাহিৰত প্ৰতিষ্ঠা কৰাৰ লগতে তেওঁৰ ৰচিত "ভক্তি ৰত্নাকৰ" গ্ৰন্থখনি টিকা-টিপ্পনী সহ মূল সংস্কৃত ঠিকে ৰাখি ইংৰাজীত সম্পাদনা কৰি এক মহৎ কাৰ্য সম্পাদন কৰে। পাটিয়ালাৰ পাঞ্জাৱী বিশ্ববিদ্যালয়ত শংকৰদেৱ অধ্যাপকৰ পাঁচ বছৰীয়া কাৰ্য্যকাল সামৰি উভতি অহাৰ পিচতো নেওগদেৱৰ সাহিত্য সাধনাত যতি নপৰিল। তেখেতৰ কাপৰ পৰা ওলোৱা গ্ৰন্থৰাজিৰ লেখ ইয়াত দাঙি ধৰিব বিচৰা নাই। কিন্তু "জীৱনৰ দীঘ আৰু বানি" কে ভিতৰ কৰি "চলন্ত অভিধান"লৈ ( যিখন মানা ভাষাৰ অভিধান নহয় ) যি অলেখ গ্ৰন্থ ৰচনা তথা সম্পাদনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিলে সি সচাঁকৈয়ে বিদ্বৎ সমাজৰ বাবে এক বিস্ময় আছিল। অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিবৰ বাবেহে যেন তেখেতৰ আৱিৰ্ভাৱ হৈছিল।

ওৰেতো জীৱন অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ নামত উচ্ছৰ্গা কৰা নেওগদেৱৰ অৱদান তথা পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপে ৰজাঘৰ তথা প্ৰজাঘৰৰ পৰা তেখেতলৈ যিবোৰ মান-সন্মান তথা বঁটা-বাহন আগবঢ়োৱা হৈছিল সিও এক অভিলেখ সৃষ্টিকাৰীয়ে বুলি ক'ব লাগিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱহৰলাল নেহৰু অধ্যাপক, কলাগুৰু, প্ৰফেচৰ এমিৰিটাচ সন্মান লাভৰ পৰা অসম সাহিত্য সভাৰ সভাপতি আৰু সদস্য মহীয়ান সন্মানলৈ, ভাৰত চৰকাৰৰ পদ্মশ্ৰী উপাধিৰ পৰা অসম চৰকাৰে আগবঢ়োৱা শংকৰদেৱ বঁটালৈকে কিমান যে বঁটা বা সন্মান তেখেতে লাভ কৰা নাছিল। তেখেতৰ ভাষাতে কবলৈ হ'লে— "........বাইজৰ পৰা সন্মান মই ভুৰি ভুৰি পাইছো আৰু সেই সন্মানেৰে সৈতে মোৰ ভিক্ষাপাত্ৰ সম্পূৰ্ণ হৈ গৈছে।" ( গৰীয়সী- ডিচেম্বৰ সংখ্যা-পৃষ্ঠা-৬৯ ) অৱশ্যে আৰু এটা সন্মান পোৱাৰ যোগ্য তেখেত আছিল বুলি বহুতে ক'ব খোজে। সেইটো আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ পদটো। ভগৱানে যি কৰে ভালৰ নিমিত্তেই কৰে। উপাচাৰ্য্যৰ পদ পালে হয়তো তেখেতে প্ৰশাসনত লাগি থাকিব লগীয়া হ'লহেঁতেন আৰু তেতিয়া সাহিত্য-সংস্কৃতিৰ সাধনাত বাধা পৰিলেহেঁতেন।

ব্যক্তিত্বৰ বিশালতা, সুগভীৰ স্বদেশপ্ৰেম, অসামান্য প্ৰতিভা, বিদ্যায়তনিক অৰ্হতা তথা

অগাধ পাণ্ডিত্যৰে মহিমামণ্ডিত ডঃ নেওগদেৱ জীৱন কালত হৈ পৰিছিল এক জাতীয় অনুষ্ঠান তথা জাতীয় একাডেমী। ডঃ নেওঁগদেৱৰ দৰে এজন ব্যক্তি এটা অনুষ্ঠানত পৰিণত হোৱাৰ উদাহৰণ নিশ্চিয় অতি বিৰল হ'ব। ডঃ নেওগদেৱ এনে এগৰাকী কৃতবিদ্য পণ্ডিত আছিল যে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত দেখা দিয়া সকলো প্ৰশ্নৰ শেষ সমাধান বিচাৰি তেখেতৰেই কাষ চপা হৈছিল আৰু তেখেতৰ ওচৰত যথাৰ্থ উত্তৰ বিচাৰি পোৱা গৈছিল। অসম মাতৃৰ এই গৰাকী সুযোগ্য সন্তানৰ মৃত্যুত যি শূন্যতাৰ সৃষ্টি হ'ল তাক পূৰণ কৰাটো হয়তো সহজে সম্ভৱ নহব। কিন্তু প্ৰয়াত নেওগদেৱ তেখেতৰ সৃষ্টি কৰ্মৰ মাজেদিয়েই আমাৰ মাজত সদায় জীয়াই থাকিব।

**লোক সংস্কৃতিৰ বিশিষ্ট পণ্ডিত গৱেষক**

# ডঃ প্ৰফুল্লদত্ত গোস্বামী

অসমৰ সাহিত্য আৰু শিক্ষা জগতত অন্যতম স্থান অধিকাৰ কৰা ডঃ প্ৰফুল্লদত্ত গোস্বামীদেৱৰ ১৯৯৪ খৃঃৰ ১৯ নৱেম্বৰ তাৰিখে পৰলোক ঘটে। দক্ষিণ কামৰূপৰ এখন অতি ভিতৰুৱা গাৱঁত জন্ম গ্ৰহণ কৰা ডঃ গোস্বামী দেৱৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৬ বছৰ।

গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী ভাষা সাহিত্যৰ অধ্যাপক হিচাপে নিযুক্তি পোৱা ডঃ গোস্বামীদেৱে পিছত নিজে গঢ় দিয়া লোক-সংস্কৃতি বিভাগৰ মুখ্য অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। ডঃ গোস্বামী দেৱৰ ব্যক্তিত্ব তথা চৰিত্ৰত ভালেমান মহৎ গুণ আছিল। শিক্ষক হিচাপে এগৰাকী মহান শিক্ষকৰ থাকিব লগীয়া সকলোখিনি গুণেই আছিল তেখেতৰ গাত। তেখেতৰ শিকাৰ আৰু শিকোৱাৰ আগ্ৰহ আছিল অসীম। সেয়ে তেখেতৰ ওচৰত যিয়ে এবাৰ গৈছিল কেতিয়াও তেখেতক পাহৰিব নোৱাৰিছিল। অগাধ পাণ্ডিত্যৰ অধিকাৰী হৈয়ো তেখেতে কেতিয়াও নিজৰ পাণ্ডিত্যক লৈ বৰাই কৰি ফুৰা নাছিল। তেখেত এগৰাকী নিৰ্ভীক, স্পষ্টবাদী আৰু অধ্যয়নশীল ব্যক্তি আছিল। ধৰ্মীয় গোড়ামীৰ পৰাও তেখেত ভালেখিনি মুক্ত আছিল।

অসমীয়া লোক- সংস্কৃতিৰ অন্যতম গৱেষক ডঃ গোস্বামীদেৱে অসমীয়া লোক-সংস্কৃতিৰ ভৰাল চহকী কৰিবলৈ মনেপ্ৰাণে চেষ্টা কৰিছিল। তেখেতে লোককৃষ্টি সম্বন্ধে ভালেমান গ্ৰন্থ লিখি থৈ যায়। এইবোৰৰ ভিতৰত অসমীয়া জন-সাহিত্য, The Springtime Bihu of Assam, Songs and Tales of N E. India আদিয়ে প্ৰধান। লোক-কৃষ্টিৰ গৱেষক পণ্ডিতৰূপে তেখেতে আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈকো সমৰ্থ হৈছিল। লোক-কৃষ্টিৰ উপৰিও এগৰাকী সৃষ্টিশীল লেখক হিচাপে তেখেতৰ অৱদান অনন্য। তেখেতে লিখা "কেঁচা পাতৰ কঁপনি" নামৰ উপন্যাস খনে এসময়ত পঢ়ুৱৈ সমাজৰ মাজত আলোড়নৰ সৃষ্টি কৰিছিল। তেখেত এগৰাকী গল্পকাৰ, শিশু সাহিত্যিক, জীৱনীকাৰ আৰু প্ৰকৃতি প্ৰেমিকো আছিল। অনুবাদ সাহিত্যতো ডঃ গোস্বামীদেৱৰ অৱদান কম নাছিল।